জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নংঃ ৪৪০/২০২০

**মৈত্ৰী আঁচনিৰ অধীনত নৱনিৰ্মিত ডিব্ৰুগড় আৰক্ষী থানাৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে**

## ক'ভিড-১৯ ৰ ফলশ্ৰুতিত দেশজুৰি আৰোপিত লক্‌ডাউনৰ সময়ছোৱাত আৰক্ষী বাহিনীয়ে আগবঢ়োৱা সেৱাৰ শলাগ ল'লে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২০ জুন ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মৈত্ৰী আঁচনিৰ অধীনত নতুনকৈ নিৰ্মাণ কৰি উলিওৱা ডিব্ৰুগড় আৰক্ষী থানা আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বৰ্তমানৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগত আৰক্ষী বাহিনীয়েও অত্যাধুনিক ব্যৱস্থাৰে নিজকে সুসজ্জিত কৰিব লাগিব। মৈত্ৰী আঁচনিৰ অধীনত নতুনকৈ নিৰ্মাণ কৰি উলিওৱা ডিব্ৰুগড় আৰক্ষী থানাই স্মাৰ্ট পুলিচ ব্যৱস্থা গঢ়ি তোলাৰ দিশত বিশেষভাৱে অৰিহণা যোগাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। উল্লেখ্য যে মৈত্ৰী আঁচনিৰ অধীনত প্ৰথম পৰ্যায়ত ৰাজ্যখনৰ ৭৩ খন আৰক্ষী থানা নতুনকৈ নিৰ্মাণৰ বাবে পদক্ষেপ লোৱা হৈছে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ডিব্ৰুগড় আৰক্ষী থানাই বৃহত্তৰ ডিব্ৰুগড় অঞ্চলৰ জনসাধাৰণৰ মনত সুৰক্ষাৰ ভাৱ সৃষ্টিৰ দিশত বিগত শতিকাজুৰি উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। বৰ্তমানৰ সময়ৰ অপৰাধৰ জটিলতাৰ প্ৰতি দৃষ্টি ৰাখি এই আৰক্ষী থানাখনে বৃহৎ ভূমিকা পালন কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। জৰুৰীকালীন সময়ত অসম আৰক্ষীয়ে লোৱা ভূমিকাৰো ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে শলাগ লয়। ক'ভিড-১৯ অতিমাৰীৰ ফলত সমগ্ৰ দেশজুৰি আৰোপিত লক্‌ডাউনৰ সময়ছোৱাত আৰক্ষী বাহিনীয়ে জনসাধাৰণলৈ আগবঢ়োৱা সেৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে আৰক্ষীক ধন্যবাদ জ্ঞাপন কৰে। এই সময়ছোৱাত জনসাধাৰণে সন্মুখীন হোৱা বিভিন্ন সমস্যা সমাধানৰ দিশত আৰক্ষী বাহিনীয়ে বিশেষ ভূমিকা পালন কৰিছে বুলি উল্লেখ কৰি বহু সংখ্যক অভাৱগ্ৰস্ত জনসাধাৰণলৈ খাদ্য সামগ্ৰী বিতৰণকে ধৰি আৰক্ষী বাহিনীয়ে বিভিন্ন সহায়ৰ হাত আগবঢ়াইছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

বিজেপি নেতৃত্বাধীন বৰ্তমানৰ ৰাজ্য চৰকাৰখনে মহিলা, শিশু, দুৰ্বল লোককে ধৰি সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণলৈ সুৰক্ষা প্ৰদানৰ দিশত বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে অপৰাধ তথা অপৰাধীৰ বিৰুদ্ধে ক্ষিপ্ৰ ব্যৱস্থা লোৱাৰ দিশত বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰি মহিলাৰ বিপৰীতে সংঘটিত অপৰাধ তথা বন্যপ্ৰাণী সম্বন্ধীয় অপৰাধসমূহ বিচাৰৰ বাবে ফাষ্ট ট্ৰেক ক'ৰ্টৰ জৰিয়তে বিচাৰৰ দিশত বৰ্তমানৰ চৰকাৰখনে বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছে বুলিও তেওঁ কয়। ইয়াৰ ফলশ্ৰুতিতেই গঁড় হত্যা তথা মহিলাৰ বিপৰীতে সংঘটিত অপৰাধ হ্ৰাস পাইছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে ডিব্ৰুগড় জিলাৰ আৰক্ষী প্ৰশাসনক দুৰ্গতজনলৈ সহায়ৰ হাত আগবঢ়াই মানৱীয় অনুভূতিৰ দৃষ্টান্তমূলক উদাহৰণ দাঙি ধৰাৰ বাবেও আহ্বান জনায়।

আজিৰ এই উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক মন্ত্ৰী যোগেন মহন, সাংসদ তপন কুমাৰ গগৈ, ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, বিমল বৰা, ঋতুপৰ্ণ বৰুৱা, তেৰচ গোৱালা, চক্ৰধৰ গগৈ, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দীপু ৰঞ্জন মাক্ৰাৰী, অসম আৰক্ষী গৃহ নিগমৰ পৰিচালন সঞ্চালক অৰবিন্দ কলিতা, ডিব্ৰুগড় জিলাৰ আৰক্ষী অধীক্ষক শ্ৰীজিথ টি প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / সুঃমিঃকঃ**
**২০/০৬/২০২০**